**REGIONAL NEWS UNIT**
AKASHVANI, GUWAHATI
0000000000

**Date :** 05-11-2024
**Time :** 21-25 Hrs

***Assamese Night Bulletin***

**::::::: ::::::: :::::::: ::::::::**

সংসদৰ শীতকালীন অধিবেশন ২৫ নৱেম্বৰত আৰম্ভ হ'ব আৰু ২০ ডিচেম্বৰত অধিবেশনৰ সামৰণি পৰিব। সংসদীয় পৰিক্ৰমা মন্ত্ৰী কিৰেণ ৰিজিজুৱে সামাজিক মাধ্যমযোগে জনাইছে যে, সংবিধান গ্ৰহণৰ ৭৫ সংখ্যক জয়ন্তী ২৬ নৱেম্বৰত সংবিধান সদনৰ কেন্দ্ৰীয় কক্ষত উদ্‌যাপন কৰা হ'ব।

০০০০

প্ৰতিবেশী ৰাষ্ট্ৰ ভূটানৰ সৈতে পাৰস্পৰিক সম্পৰ্ক শক্তিশালী কৰাৰ অংশ হিচাপে পৰহিলৈ অৰ্থাৎ ৭ নৱেম্বৰত দৰঙাত আব্ৰজন  তালাচী চকী মুকলি কৰা হব। দুয়োখন ৰাষ্ট্ৰৰ মাজত আন্তঃসম্পৰ্ক শক্তিশালী কৰাৰ অংশ হিচাপে এই ব্যৱস্থা গ্ৰহণ কৰা হৈছে। ভূটান সীমান্তৰ পৰা ৭০০ মিটাৰ নিলগত অৱস্থিত এই ভূবন্দৰটোৱে দুয়োখন ৰাষ্ট্ৰৰ মাজত সম্পৰ্ক সুদৃঢ় কৰাৰ ক্ষেত্ৰত গুৰুত্বপূৰ্ণ ভূমিকা গ্ৰহণ কৰি আহিছে। এই অনুষ্ঠানত অসমৰ ৰাজ্যপাল লক্ষ্মন প্ৰসাদ আচাৰ্য্য আৰু ভূটানৰ প্ৰধানমন্ত্ৰী দাসো চেৰিং টবগে মুখ্য অতিতি  হিচাপে উপস্থিত থকাৰ কথা।

০০০০

অসম আৰক্ষীৰ অপৰাধ অনুসন্ধান বিভাগৰ চাইবাৰ শাখাই চাইবাৰ প্ৰৱঞ্চনা ৰোধ কৰাৰ ক্ষেত্ৰত বিশেষ পদক্ষেপ গ্ৰহণ কৰাৰ লগতে জনসাধাৰণক সজাগ কৰাৰ বাবে এখন বিজ্ঞপ্তি প্ৰকাশ কৰিছে। বিজ্ঞপ্তি অনুসৰি কোনো ধৰণৰ প্ৰলোভন বা কমিচনৰ আশাত নিজৰ বেংক একাউণ্ট অন্য কোনো ব্যক্তিক ব্যৱহাৰ কৰিবলৈ দিয়াৰ পৰা বিৰত থাকিবলৈ কোৱা হৈছে। তেনে কৰিলে সেই লোকজনকো চাইবাৰ অপৰাধী হিচাপে গণ্য কৰা হব। যদি কোনো বেংকৰ কৰ্মীয়ে চাইবাৰ অপৰাধৰ সৈতে জড়িত সন্দেহজনক একাউণ্ট খোলাত সহায় কৰে তেন্তে তেনে বেংকৰ কৰ্মচাৰীৰ বিৰুদ্ধে কঠোৰ আইনী ব্যৱস্থা লোৱা হব বুলি কোৱা হৈছে। অসম আৰক্ষীয়ে কষ্টৰে উপাৰ্জন কৰা ধন প্ৰৱঞ্চকৰ দ্বাৰা যাতে হেৰুওৱাবলগীয়া নহয় তাৰ বাবে সকলোকে সজাগ হৈ থকাৰ উপৰি অসম আৰক্ষীৰ সৈতে যোগাযোগ  কৰিবলৈ আহ্বান জনাইছে।

০০০০

গুৱাহাটীৰ প্ৰতিৰক্ষা গণনা নিয়ন্ত্ৰকে পেঞ্চনাৰ আৰু পেঞ্চনভোগী পৰিয়ালসমূহৰ বাবে **স্পৰ্শ** পদক্ষেপৰ অধীনত ওজৰ আপত্তি, চিনাক্তকৰণ আৰু নিষ্পত্তিৰ বাবে জনসম্পৰ্ক ৰক্ষা কাৰ্যসূচী লোৱাৰ কথা ঘোষণা কৰিছে। এই অনুসৰি প্ৰতিৰক্ষা গণনা নিয়ন্ত্ৰকৰ গুৱাহাটীৰ কাৰ্যালয়ত কাইলৈ আৰু পৰহিলৈ এই কাৰ্যসূচী লোৱা হব। ইয়াৰ অধীনত ডিজিটেল ব্যৱস্থাৰে আধাৰ, ফোন নম্বৰ, পেন নম্বৰ আদি সংযোগ কৰাৰ লগতে অন্যান্য সেৱাসমূহ প্ৰদান কৰা হব।

০০০০

উত্তৰ-পূৰ্বাঞ্চলৰ ত্ৰিপুৰা আৰু মিজোৰামৰ উপৰি হাৰিয়ানা গ্ৰাম্য স্থানীয় নিকায়সমূহৰ বাবে কেন্দ্ৰীয় চৰকাৰে ২০২৪-২৫ বিত্তীয় বৰ্ষত পঞ্চদশ বিত্ত আয়োগৰ অনুদান মুকলি কৰিছে। ত্ৰিপুৰাৰ ১২৬০ খন গ্ৰাম্য স্থানীয় নিকায়ৰ বাবে ৩১ কোটি ৪ লাখ টকাৰ প্ৰথম কিস্তি আৰু ৪৭ কোটি ১০ লাখ টকাৰ টাইদ অনুদানৰ প্ৰথম কিস্তি মুকলি কৰি দিয়া হৈছে। মিজোৰামৰ স্বায়ত্তশাসিত জিলা পৰিষদ অঞ্চলসমূহকে ধৰি ৮৩৪ খন গাঁও পৰিষদৰ বাবে ২০২২-২৩ বিত্তীয় বৰ্ষৰ দ্বিতীয় কিস্তিৰ ১৪ কোটি ২০ লাখ টকা আৰু ২০২২-২৩ বৰ্ষৰ টাইড অনুদানৰ দ্বিতীয় কিস্তিৰ ২১ কোটি ৩ লাখ টকাৰ অনুদান মুকলি কৰি দিয়া হৈছে।

একেদৰে হাৰিয়ানাৰ পঞ্চায়তী ৰাজ প্ৰতিষ্ঠান আৰু গ্ৰাম্য স্থানীয় নিশ্চয়সমূহক প্ৰথম কিস্তিৰ অংশ হিচাপে প্ৰায় ১৯৫ কোটি টকাৰ অনুদান প্ৰদান কৰা হৈছে। ৰাজ্যখনৰ ১৮ খন যোগ্য জিলা পঞ্চায়ত, ১৩৯ ব্লক পঞ্চায়ত আৰু ৫,৯১১ খন গ্ৰাম পঞ্চায়তে এই অনুদান লাভ কৰিব।

০০০০

নীতি আয়োগে জল ব্যৱস্থাপনা, সংৰক্ষণ আৰু বহনক্ষমতা সন্দৰ্ভত সজাগতা সৃষ্টিৰ উদ্দেশ্যে কাইলৈ ১৫ দিনীয়া জল উৎসৱ অভিযান আৰম্ভ কৰিব। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে যোৱা বছৰ ডিচেম্বৰত অনুষ্ঠিত মুখ্য সচিবসকলক তৃতীয় সন্মিলনত নদী উৎসৱৰ লেখিয়াকৈ জল উৎসৱ উদযাপনৰ বাবে আগবঢ়োৱা প্ৰস্তাৱ অনুসৰি এই অভিযানৰ আয়োজন কৰা হৈছে। নীতি আয়োগে এটা বিবৃতিযোগে কৈছে যে, ৬ ৰ পৰা ২৪ নৱেম্বৰলৈ দেশৰ ২০ খন অভিলাসী জিলা আৰু বিভিন্ন উন্নয়ন খণ্ডত জল উৎসৱ অভিযান ৰূপায়ণ কৰা হৈছে। ৰাষ্ট্ৰীয় জল জীৱন মিছন, খোৱাপানী আৰু অনাময় বিভাগ আৰু জলশক্তি মন্ত্ৰালয়ৰ সহযোগিতাত এই অভিযানৰ আয়োজন কৰা হৈছে। এই অভিয়ানৰ জৰিয়তে জল সংৰক্ষণ আৰু জল সম্পদৰ সুৰক্ষাৰ ক্ষেত্ৰত সমূহীয়া অংশগ্ৰহণ সুনিশ্চিত কৰিব বিচৰা হৈছে।

০০০০

অসম কৃষি বিশ্ববিদ্যালয়ে এটা ষ্টাৰ্টআপ প্ৰতিষ্ঠানৰ সৈতে আজি এখন বুজাবুজিৰ চুক্তিত স্বাক্ষৰ কৰে। উত্তৰ পূৰ্বাঞ্চল তথা দেশৰ অন্যান্য ৰাজ্যৰ ছাত্ৰ-ছাত্ৰী, গৱেষক আৰু উদ্যোগপতিসকলক এই কোম্পানীটোৱে সহযোগিতা আগবঢ়ায়। কোম্পানীটোৱে অসম কৃষি বিশ্ববিদ্যালয় আৰু অন্যান্য সহযোগী সংস্থাই উৎপাদন কৰা জৈৱ সাৰ আৰু কীটনাশক, গছ পুলি, কাঠফুলাৰ উৎপাদন আজি প্ৰযুক্তি উন্নত কৰি অঞ্চলটোৰ সামগ্ৰিক কৃষি উন্নয়নক ত্বৰান্বিত কৰাৰ লক্ষ্য লৈছে।

০০০০

মৰিগাওঁ থানাৰ অন্তৰ্গত কটহগুৰি গাঁৱৰ নাৱালিকা ধৰ্ষণৰ অভিযোগত অভিযুক্ত এজন লোকক আজি পকচো আদালতে যাৱজ্জীৱন কাৰাদণ্ডেৰে দণ্ডিত কৰে। এই ঘটনাটোৰ সন্দৰ্ভত মৰিগাওঁ সদৰ থানাত ৰুজু হোৱা গোচৰৰ ভিত্তিত আৰক্ষীয়ে জিলাখনৰ পকচো আদালতত অভিযোগনামা দাখিল কৰিছিল। এই অভিযোগনামাৰ ভিত্তিত বিচাৰ চলাই আজি লোকজনক যাৱজ্জীৱন কাৰাদণ্ডেৰে দণ্ডিত কৰাৰ উপৰি ২০ হাজাৰ টকাৰ জৰিমণা বিহা হৈছে।

০০০০

কাইলৈৰ পৰা মলদ্বীপত অনুষ্ঠিত হ'বলগীয়া ৱৰ্ল্ড বডি বিল্ডিং এণ্ড ফিজিক ছেম্পিয়নশ্বিপত অংশগ্ৰহণ কৰিবলগীয়া ভাৰতীয় দলটোত অসমৰ চাৰি গৰাকী খেলুৱৈয়ে স্থান লাভ কৰিছে। সবিতা বনিয়া, প্ৰকাশ প্ৰধান, সুভদ্বীপ বৈদ্য আৰু পবিত্ৰ নাথে এই দলত স্থান পাইছে। উল্লেখযোগ্য যে, এই প্ৰতিযোগিতাখন অহা ১১ নৱেম্বৰত সামৰণি পৰিব।

০০০০

০০০০

**ঃঃ সমাপ্ত ঃঃ**